**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 13-02-2026 **Time :** 1100 Hrs.
0000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে কাইলৈ অসমলৈ আহিব। শ্ৰীমোদীয়ে মৰাণত জৰুৰীকালীন উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাবে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে এই অত্যাধুনিক জৰুৰীকালীন অৱতৰণক্ষেত্ৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰখন বায়ুসেনাৰ কাৰণে কৌশলগত বিষয়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ-পূবৰ এই প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত কাইলৈ ছুখয়-থাৰ্টি, ৰাফেল, তেজছ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানে উৰণ কৌশল প্ৰদৰ্শন কৰিব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ত উপস্থিত হৈ যাৱতীয় প্ৰস্তুতিৰ বুজ লয়। অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত সবিশেষ জনাইছে ডিব্ৰুগড়ৰ পৰা আমাৰ সংবাদদাতা যাদৱ গগৈয়ে –

বাইট

কাইলৈ মৰাণ বাইপাছত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব।

মৰাণৰ অনুষ্ঠান সামৰি প্ৰধানমন্ত্ৰীগৰাকী গুৱাহাটীলৈ আহিব আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখন মুকলি কৰিব। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখন নিৰ্মাণ কৰি উলিওৱা হৈছে। এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। কাইলৈ লাচিত ঘাটত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকিব। এই অনুষ্ঠানৰ পৰাই প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত আন কেইবাটাও প্ৰকল্প মুকলি কৰিব।

০০০০০০০

আজি বিশ্ব ৰেডিঅ' দিৱস। এইবছৰৰ বিশ্ব ৰেডিঅ' দিৱসৰ মূল বিষয়বস্তু হৈছে- কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰেডিঅ'। বিশ্ব ৰেডিঅ' দিৱসত এইবছৰ কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ ফলত অনাতাঁৰ প্ৰচাৰণৰ ক্ষেত্ৰত আহি পৰা সুবিধা আৰু প্ৰত্যাহবান সন্দৰ্ভত আলোচনা কৰা হ'ব। এই দিৱসৰ সৈতে সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজিৰেপৰাই পডকাষ্ট আৰম্ভ কৰিছে। এই পডকাষ্টত কেন্দ্ৰটোৰ মুৰববী, অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়ো আৰু সীমান্ত বাৰ্মাই অংশ লয়।

আজি বিয়লি ৩ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰত এখন মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। সন্ধিয়া ৫ বাজি কুৰি মিনিটত গুৱাহাটী বিশ্ববিদ্যালয়ৰ তথ্য প্ৰযুক্তি বিভাগৰ অধ্যাপক ড° ৰূপম ভট্টাচাৰ্য্যই ৰেডিঅ' আৰু কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষক বক্তৃতা প্ৰদান কৰিব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি ভাৰতীয় সাংস্কৃতিক গৱেষণা পৰিষদ চমুকৈ আই চি চি আৰৰ কলম্বো কাৰ্য্যালয়ৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক ড° অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাৎকাৰ বাণীবদ্ধ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে ড° দত্তৰ এই সাক্ষাৎকাৰ কাইলৈ নিশা ৮বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰা হ'ব।

০০০০০০০

চিৰাঙৰ ভাৰত-ভূটান সীমান্তৰ চিকনা জোহৌলাও ৰাষ্ট্ৰীয় উদ্যানত দখলকাৰীৰ বিৰুদ্ধে বন বিভাগে উচ্ছেদৰ প্ৰস্তুতি চলাইছে। ভাৰত-ভূটান সীমান্তৰ চাৰিসীমাৰ চিৰাং বন সংমণ্ডলৰ ৰুণীখাটা বনাঞ্চলত দেৱদাঙি বৈছুমৈগুৰিত চোৰাং চিকাৰ বিৰোধী শিবিৰ স্থাপন কৰাৰ সময়ত পৰহি বিয়লি ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত থকা দখলকাৰীৰ দলে বাধা প্ৰদান কৰাত উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। চিৰাং বন সংমণ্ডল বিষয়াই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে বনাঞ্চল ৰক্ষাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব। বি টি চিৰ বন বিভাগৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্মই এই বিষয়টোত ইতিমধ্যে অনুমোদন জনাইছে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

বিধানসভা নিৰ্বাচন সন্দৰ্ভত পৰ্যালোচনাৰ বাবে অহা ১৬ ফেব্ৰুৱাৰীত পূৰ্ণাংগ নিৰ্বাচন আয়োগ অসমলৈ আহিব। তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হ'বলগীয়া দলটোৱে ১৭ ফেব্ৰুৱাৰীত বিভিন্ন ৰাজনৈতিক দলৰ সৈতে নিৰ্বাচন সন্দৰ্ভত আলোচনা কৰিব। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত আহিবলগীয়া দলটোৱে ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ পৰা প্ৰথমে সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে ১৮ ফেব্ৰুৱাৰীত ৰাজ্যৰ ১০০ গৰাকী বি এল অ'ৰ সৈতেও মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব। সেইদিনা বিয়লি আয়োগে এখন সংবাদমেল সম্বোধন কৰিব।

০০০০০০০

ডিব্ৰুগড় জিলাৰ ঘোঁৰামৰা চিলিংজানৰ নিবাসী, অসম সমবায় সমিতি, ডিব্ৰুগড় কাৰ্যালয়ৰ কৰ্মচাৰী সঞ্জীৱ চুৰিণৰ আজি অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৩ বছৰ। দীৰ্ঘদিন ধৰি কৰ্কট ৰোগত আক্ৰান্ত হৈ থকা সঞ্জীৱ চুৰিণৰ মৃত্যুত সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থাকে ধৰি বিভিন্নজনে শোকপ্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**